# 2023

# ECONOMICS

## ( Honours Core )

Paper : ECO–HC–6026

**( Development Economics—II )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* Define fertility rate.

উৰ্বৰতা হাৰৰ সংজ্ঞা দিয়া।

*(b)* What is microfinance?

ক্ষুদ্ৰবিত্ত ব্যৱস্থা কি?

(c) Mention one impact of land-tenure system.

ভূমি-স্বত্ব ব্যৱস্থাৰ এটা প্ৰভাৱ উল্লেখ কৰা।

(d) Point out one common deficiency involving in governance.

শাসন ব্যৱস্থাত দেখা দিয়া এটা সাধাৰণ ত্ৰুটি উল্লেখ কৰা।

(e) What is rural-urban migration?

গ্ৰাম্য-নগৰীয়া প্ৰব্ৰজন বুলিলে কি বুজা?

(f) Point out one social challenge arising from globalisation in India.

ভাৰতত বিশ্বায়নৰ ফলত উদ্ভৱ হোৱা এটা সামাজিক প্ৰত্যাহ্বান উল্লেখ কৰা।

(g) In which year was the Rio Summit held?

ৰিঅ' সন্মিলন কোন চনত অনুষ্ঠিত হৈছিল?

(h) Define individual behaviour in social environment.

সামাজিক পৰিবেশত ব্যক্তি আচৰণৰ সংজ্ঞা দিয়া।

(i) Mention one contribution of agriculture to the process of economic development.

অৰ্থনৈতিক উন্নয়ন প্ৰক্ৰিয়াত কৃষিৰ এটা অৱিহণা উল্লেখ কৰা।

(j) Write one cause of gender inequality in a family.

এটা পৰিয়ালৰ ভিতৰত লিংগ বৈষম্যৰ এটা কাৰণ লিখা।

**2.** Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Define globalisation.

বিশ্বায়নৰ সংজ্ঞা দিয়া।

(b) What is the relationship between the age structure of a population and its dependency ratio?

জনসংখ্যাৰ বয়সৰ গাঁথনি আৰু নিৰ্ভৰশীলতা অনুপাতৰ মাজত থকা সম্পৰ্কটো কি?

(c) What are the types of environmental externalities?

পৰিবেশগত বাহ্যিকতাৰ প্ৰকাৰবোৰ কি কি?

(d) Why is sustainability of renewable resources important?

নবীকৰণযোগ্য সম্পদৰ বহনযোগ্যতা কিয় গুৰুত্বপূর্ণ ?

(e) What is landlord-tenant relationship?

ভূমি-পতি আৰু ৰায়তৰ সম্পৰ্কটো কি ?

3. Answer any *four* from the following questions : 5×4=20

তলৰ প্রশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Explain the role of agriculture in economic development.

অর্থনৈতিক উন্নয়নত কৃষিৰ ভূমিকা ব্যাখ্যা কৰা ।

(b) Write a note on credit market in agrarian society.

কৃষিজীৱী সমাজত ঋণ বজাৰৰ ওপৰত এটি টোকা লিখা ।

(c) Explain the distinction between community governance and corporate governance.

সম্প্রদায় শাসন আৰু নিগম শাসনৰ মাজৰ পাৰ্থক্য ব্যাখ্যা কৰা ।

(d) Briefly discuss the major eras of globalisation in the last 150 years.

যোৱা ১৫০ বছৰত বিশ্বায়নৰ প্ৰধান যুগকেইটা চমুকৈ আলোচনা কৰা।

(e) Explain the factors which influence individual behaviour in an organisation.

সংগঠনত ব্যক্তি আচৰণক প্ৰভাৱিত কৰা কাৰকসমূহ বৰ্ণনা কৰা।

(f) What is 'fertility gap'? Explain the fertility gap in terms of Leibenstein theory of population.

'উৰ্বৰতা ফাঁক' কি? লেইবেনষ্টেইনৰ জনসংখ্যা তত্ত্বৰ জৰিয়তে উৰ্বৰতা ফাঁকৰ ধাৰণাটো বৰ্ণনা কৰা।

**4.** Answer the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Discuss the functioning of labour market in agrarian society. 10

কৃষিজীৱী সমাজত শ্ৰম বজাৰৰ কাৰ্যকাৰিতা আলোচনা কৰা।

*Or / নতুবা*

Explain the demographic transition during the process of development. 10

উন্নয়ন প্ৰক্ৰিয়াৰ সময়ছোৱাত জনসংখ্যাগত ৰূপান্তৰৰ বিষয়ে আলোচনা কৰা।

*(b)* Examine Hirschman's exit, voice, loyality theory as a response to organisational inefficiency. 10

হিৰিচমেনৰ প্ৰস্থান, বচন আৰু আনুগত্য তত্ত্বটো সাংগঠনিক অদক্ষতাৰ প্ৰতিক্ৰিয়া হিচাবে পৰীক্ষা কৰা।

*Or / নতুবা*

Discuss the impact of globalisation on developing countries in terms of international finance. 10

আন্তৰ্জাতিক বিত্তৰ জৰিয়তে উন্নয়নশীল দেশত বিশ্বায়নৰ প্ৰভাৱ আলোচনা কৰা।

*(c)* What is governance? Discuss the main instruments to ensure successful governance of an organisation. 2+8=10

শাসন কাক বোলে? সংগঠন এটা সফল হ'বলৈ লগা মুখ্য আহিলাবোৰ আলোচনা কৰা।

*Or / নতুবা*

Critically discuss the various land reform measures adopted in many developing countries. 10

বিভিন্ন উন্নয়নশীল দেশত গৃহীত হোৱা বিভিন্ন ভূমি সংস্কাৰ ব্যৱস্থাসমূহ সমালোচনা সহকাৰে আলোচনা কৰা।

(d) In what way common property resource theory provides a useful framework for analysing environmental issues? Explain. 10

সাধাৰণ সম্পত্তি সম্পদ তত্ত্বটোৱে পৰিবেশগত সমস্যাবোৰ বিশ্লেষণ কৰাত কিদৰে এটা প্ৰয়োজনীয় ৰূপৰেখা প্ৰদান কৰে, বৰ্ণনা কৰা।

*Or / নতুবা*

Write short notes on : 5+5=10

চমু টোকা লিখা :

(i) Nutrition and labour productivity

পুষ্টি আৰু শ্ৰমৰ উৎপাদনশীলতা

(ii) Economic activity and climate change

অৰ্থনৈতিক কাৰ্য আৰু জলবায়ু পৰিৱৰ্তন

★★★